# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক ষষ্ঠ ষাণ্মাসিকৰ অসমীয়া বিষয়ৰ সন্মান পাঠ্যক্ৰমৰ DSE-4 (B) কাকতৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰি উলিওৱা প্ৰকল্প প্ৰতিবেদন

## নিৰ্বাচিত বিষয় ঃ নিতাইপুখুৰী জোন গাঁৱৰ মিচিংসকলৰ মাজত প্ৰচলিত লোকবিশ্বাস।


প্ৰস্তুতকৰ্তা ঃ প্ৰাচুৰ্যদীপ গগৈ

ৰোল নং ঃ 30410009

পঞ্জীয়ন নং ঃ S2131951

ষষ্ঠ ষাণ্মাসিক - অসমীয়া বিভাগ

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়।

অসমীয়া বিভাগ

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী

# প্ৰমাণ পত্ৰ

শ্ৰী প্ৰাচুৰ্যদীপ গগৈ, ৰোল নং 30410009 স্নাতক কলা শাখাৰ ষষ্ঠ যান্মাসিকৰ ছাত্ৰ। তেওঁ মোৰ তত্বাৱধানত অসমীয়া সন্মান বিষয়ৰ DSE-4(B) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে "নিতাইপুখুৰী জোনগাঁৱৰ মিচিংসকলৰ মাজত প্ৰচলিত লোকবিশ্বাস" বিষয়ত অধ্যয়ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়ণৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

নিতা দাস
20/05/2024

তত্বাৱধায়ক
অসমীয়া বিভাগ
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়,
নিতাইপুখুৰী
শিৱসাগৰ, অসম।

Head of Dept. Assamese
H.C.D.G. College
Nitaipukhuri, Sivasagar

# কৃতজ্ঞতা জ্ঞাপন

"নিতাইপুখুৰী জোনগাঁৱৰ মিচিংসকলৰ মাজত প্ৰচলিত লোকবিশ্বাস" শীৰ্ষক প্ৰকল্পটি বিভাগীয় প্ৰধান নিভা দাস বাইদেউৰ তত্ত্বাৱধানত প্ৰস্তুত কৰা হৈছে।

বিষয়বস্তু নিৰ্বাচনৰপৰা গৱেষণা বিষয়ত বহুমূলীয়া দিহা পৰামৰ্শৰ লগতে বিভিন্ন সমস্যাসমূহ সমাধানৰ বাবে বাইদেউৱে সম্পূৰ্ণ সহযোগিতা আগবঢ়ালে। তাৰবাবে তেখেতৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক দিগন্ত গগৈ ছাৰ, বিভাগৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু পিকুমণি চুতীয়া বাইদেউ, মৃদুস্মিতা দত্ত বাইদেউ আৰু শিল্পীশিখা গগৈ বাইদেউলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ডি. টি. পি.ত সহায় কৰা শ্ৰীসুমন গগৈ আৰু প্ৰকল্পটিৰ বাবে বিভিন্ন তথ্যৰ সম্ভেদ দি সহযোগিতা আগবঢ়োৱা নিতাইপুখুৰী জোনগাঁৱৰ নিবাসী তপন বড়ি, দেৱানন্দ বড়ি, নীলমণি বড়ি, ৰাহুল বড়ি আদি সকলোকে ধন্যবাদ জনালোঁ । লগতে সমূহ গাঁওবাসীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰাচুৰ্যদীপ গগৈ

প্ৰাচুৰ্যদীপ গগৈ

# সূচীপত্ৰ

পৃষ্ঠা নং ঃ


০.০ অৱতৰণিকা ১-২

০.১ বিষয় পৰিচয়

০.২ অধ্যয়নৰ উদ্দেশ্য

০.৩ অধ্যয়নৰ পদ্ধতি

  ০.৩.১ তথ্য আহৰণৰ উৎস

০.৪ অধ্যয়নৰ পৰিসৰ

প্ৰথম অধ্যায় ৩-৪

১.০ মিচিংসকলৰ চমু পৰিচয়

১.১ মিচিংসকলৰ উৎপত্তি আৰু বৰ্তমানৰ বসতিস্থান

দ্বিতীয় অধ্যায় ৫-১১

২.০ নিতাইপুখুৰী জোন গাঁও অঞ্চলৰ মিচিংসকলৰ মাজত প্ৰচলিত লোকবিশ্বাস

২.১ কৃষিভিত্তিক আৰু ঋতুকালীন লোক উৎসৱৰ লগত জড়িত লোকবিশ্বাস

২.২ ধৰ্মীয় আৰু সীমিত লোকে অংশ গ্ৰহণ কৰা লোক উৎসৱৰ লগত জড়িত লোকবিশ্বাস

২.৩ জীৱন বৃত্তৰ লগত জড়িত লোকবিশ্বাস

  ২.৩.১ জন্মৰ লগত জড়িত লোকবিশ্বাস

  ২.৩.২ মৃত্যুৰ লগত জড়িত লোকবিশ্বাস

  ২.৩.৩ বিবাহৰ লগত জড়িত লোকবিশ্বাস

২.৪ বাদ্যযন্ত্ৰৰ লগত জড়িত লোকবিশ্বাস

২.৫ গৃহ-নিৰ্মাণ আৰু গৃহসজ্জাৰ সঁজুলিৰ লগত জড়িত লোক বিশ্বাস

২.৬ সাজপাৰৰ লগত জড়িত লোকবিশ্বাস

২.৭ আ-অলংকাৰৰ লগত জড়িত লোকবিশ্বাস

২.৮ লোক ৰন্ধন প্ৰণালীৰ লগত জড়িত লোকবিশ্বাস

৩.০ সিদ্ধান্ত ১১

৪.০ উপসংহাৰ ১১ - ১২

গ্ৰন্থপঞ্জী ১২

তথ্যদাতাৰ তালিকা ১২

## ০.০ অৱতৰণিকা ঃ

### ০.১ বিষয় পৰিচয় ঃ

প্ৰাচীন কালৰে পৰা অসমলৈ বিভিন্ন জনগোষ্ঠীৰ প্ৰৱজন হৈ আহিছে। সেই জনগোষ্ঠীয় লোকসকলৰ ভিতৰত মিচিংসকলো এক জনগোষ্ঠী। ভৈয়ামত থকা মিচিংসকলে সাধাৰণতে নৈৰ পাৰত চাংঘৰ সাজি গাঁওপাতি বাস কৰে। মিচিংসকল আদিতে অসমৰ উত্তৰ পূৱফালৰ পাহাৰত আছিল আৰু বৰ্তমান অৰুণাচলৰ চিয়াং জিলাত থকা 'মিয়ং' আৰু দাম্‌ৰ' নামৰ দুই জাতিৰ পৰাই ফাটি আহিছে। অসমৰ ধেমাজি, তিনিচুকীয়া, লখিমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, মাজুলী, দৰং, শোণিতপুৰ জিলাত মিচিংসকলে প্ৰধানকৈ বাস কৰি আছে।

শিৱসাগৰ জিলাৰ নিতাইপুখুৰী জোনগাঁও অঞ্চলত বসবাস কৰা মিচিংসকলৰ মাজত বিভিন্নধৰণৰ লোকবিশ্বাস অতীজৰে পৰা প্ৰচলিত হৈ আহিছে। গাঁওখনৰ মুঠ জনসংখ্যা প্ৰায় ১১০০ জন।

এনে লোকবিশ্বাস সমূহৰ পৰা তেওঁলোকৰ সামাজিক প্ৰমূল্য জীৱনবোধ আৰু জীৱনাদৰ্শৰ বহুখিনি সমল পোৱা যায়। তেওঁলোকৰ মাজত প্ৰচলিত লোক বিশ্বাসসমূহ অত্যন্ত সৰল। জটিল বাস্তৱ জীৱনৰ প্ৰভাৱ পৰাৰ পিচতো এতিয়ালৈকে তেওঁলোকৰ সৰল সামাজিক পৰম্পৰাৰ গাঁথনি ভাঙি দিব পৰা নাই।

### ০.২ অধ্যয়নৰ উদ্দেশ্য ঃ

"নিতাইপুখুৰী জোনগাঁৱৰ মিচিংসকলৰ মাজত প্ৰচলিত লোকবিশ্বাস" শীৰ্ষক প্ৰস্তাৱিত বিষয়টোৰ অধ্যয়নৰ উদ্দেশ্য হ'ল-মিচিং জনগোষ্ঠীৰ লোকসকলৰ জীৱনৰ লগত জড়িত লোকবিশ্বাস সম্পৰ্কে আলোচনা কৰা।

### ০.৩ অধ্যয়নৰ পদ্ধতি ঃ

"নিতাইপুখুৰী জোনগাঁৱৰ মিচিংসকলৰ মাজত প্ৰচলিত লোকবিশ্বাস" শীৰ্ষক বিষয়টো বৰ্ণনাত্মক পদ্ধতিৰ সহায়ত আলোচনা কৰা হৈছে। প্ৰয়োজনসাপেক্ষে বিশ্লেষণাত্মক পদ্ধতিৰো সহায় লোৱা হৈছে।

#### ০.৩.১ তথ্য আহৰণৰ উৎস ঃ

"নিতাইপুখুৰী জোনগাঁৱৰ মিচিংসকলৰ মাজত প্ৰচলিত লোকবিশ্বাস শীৰ্ষক" বিষয়টোৰ বাবে প্ৰধানকৈ জোন গাঁও অঞ্চলত ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে তথ্য আহৰণ কৰা হৈছে। তাৰোপৰি সেই অঞ্চলৰ স্থানীয় লোকৰ সহায়ত তথ্য আহৰণ কৰা হৈছে।

মিচিং জনগোষ্ঠীৰ সম্পৰ্কে প্ৰকাশিত বিভিন্ন গ্ৰন্থ, বাতৰি কাকত আলোচনী আৰু ইণ্টাৰনেটৰ পৰাও তথ্য সংগ্ৰহ কৰা হৈছে।

Head of ... N.G.B. College ... Nitaipukhuri, Sivasagar

## ০.৪ অধ্যয়নৰ পৰিসৰ ঃ

এই গৱেষণা পত্ৰখনৰ মূল বিষয় হৈছে নিতাইপুখুৰী জোনগাঁৱৰ মিচিংসকলৰ মাজত প্ৰচলিত লোকবিশ্বাসসমূহৰ বিষয়ে আলোচনা কৰা। বিভিন্ন ক্ষেত্ৰত তেওঁলোকৰ মাজত প্ৰচলিত লোকবিশ্বাসসমূহৰ বিষয়ে পুংখানুপুংখভাৱে অধ্যয়ন কৰা হৈছে।

# প্ৰথম অধ্যায়

১.০ মিচিংসকলৰ চমু পৰিচয়

১.১ মিচিংসকলৰ উৎপত্তি আৰু বৰ্তমানৰ বসতি স্থান

## ১.০ মিচিংসকলৰ চমু পৰিচয় ঃ

মিচিংসকল পৃথিৱীৰ দ্বিতীয় সৰ্ববৃহৎ ভাষা পৰিয়াল চীন-তিব্বতীয়ৰ তিব্বতবৰ্মী শাখাৰ অন্তৰ্গত। মিচিংসকলক 'মিৰি' নামেৰেও জনা যায়। বৰ্তমান মিচিংসকলক অনুসূচীত ভৈয়াম জনজাতি হিচাপে তালিকাভুক্ত কৰা হৈছে।

২০০১ চনৰ লোকপিয়ল অনুসৰি অসমত মুঠ মিচিং জনসংখ্যা হ'ল ৫,৮৭,৩১০ জন।[১] জনগোষ্ঠীটোৰ ভিতৰত ৮৮ শতাংশই তেওঁলোকৰ নিজস্ব মিচিং ভাষা কয়। তেওঁলোকে নিজকে আদিম পুৰুষ আবতানিৰ সন্তান বুলি পৰিচয় দিয়ে। সাধাৰণতে নৈৰ পাৰত চাংঘৰত বাস কৰা বাবে মিচিংসকলৰ জীৱন ধাৰণৰ পদ্ধতি নৈৰ লগত ওতঃপ্ৰোতভাৱে জড়িত।

মিচিংসকলে নিজকে মিচিং বুলি পৰিচয় দিয়ে যদিও আন জনগোষ্ঠীয় লোকসকলে তেওঁলোকক 'মিৰি' বুলি অভিহিত কৰি আহিছে। মিৰি শব্দৰ উৎপত্তি সম্পৰ্কে মিচিং সমাজৰ অগ্ৰণী পণ্ডিত টাবুৰাম টাইদ, নাহেন্দ্ৰ পাদুন, ডা নোমল চন্দ্ৰ পেগু আদিয়ে ক'ব খোজে যে মিচিংসকলৰ পুৰোহিতক বুজোৱা 'মিৰ' শব্দৰ পৰাই 'মিৰি' শব্দৰ উৎপত্তি হৈছে।[২]

## ১.১ মিচিংসকলৰ উৎপত্তি আৰু বৰ্তমানৰ বসতিস্থান

মিচিংসকল চীন-তিব্বতীয় জনগোষ্ঠীৰ তিব্বতবৰ্মী শাখাৰ উত্তৰ অসম উপশাখাৰ অন্তৰ্গত আৰু আবতানিৰ বংশধৰ । মিচিংসকল আদিতে অসমৰ উত্তৰ পূৱফালৰ পাহাৰত আছিল আৰু বৰ্তমান অৰুণাচলৰ চিয়াং জিলাত থকা 'মিয়ং' আৰু 'দামৰ' নামৰ দুই জাতিৰ পৰা ফাটি আহিছে।

মিচিংসকলে বৰ্তমান অসমৰ ধেমাজি, তিনিচুকীয়া, লখিমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ, গোলাঘাট, যোৰহাট, মাজুলী, দৰং, শোণিতপুৰ জিলাত বাস কৰি আছে।

১. বৰুৱা, ড° ভীমকান্ত- অসমৰ ভাষা, পৃ. ২১
২. htps:// www.doksiri.com

# দ্বিতীয় অধ্যায়

২.০ নিতাইপুখুৰী জোনগাঁও অঞ্চলৰ মিচিংসকলৰ মাজত প্ৰচলিত লোক বিশ্বাস।

২.১ কৃষিভিত্তিক আৰু ঋতুকালীন লোক উৎসৱৰ লগত জড়িত লোকবিশ্বাস।

২.২ ধৰ্মীয় আৰু সীমিত লোকে অংশ গ্ৰহণ কৰা লোক উৎসৱৰ লগত জড়িত লোকবিশ্বাস।

২.৩ জীৱনবৃত্তৰ লগত জড়িত লোকবিশ্বাস।

২.৩.১ জন্মৰ লগত জড়িত লোকবিশ্বাস।

২.৩.২ মৃত্যুৰ লগত জড়িত লোকবিশ্বাস।

২.৩.৩ বিবাহৰ লগত জড়িত লোকবিশ্বাস।

২.৪ বাদ্যযন্ত্ৰৰ লগত জড়িত লোকবিশ্বাস।

২.৫ গৃহ-নিৰ্মাণ আৰু গৃহসজ্জাৰ সঁজুলিৰ লগত জড়িত লোকবিশ্বাস।

২.৬ সাজপাৰৰ লগত জড়িত লোকবিশ্বাস।

২.৭ আ-অলংকাৰৰ লগত জড়িত লোকবিশ্বাস।

২.৮ লোক ৰন্ধন প্ৰণালীৰ লগত জড়িত লোকবিশ্বাস।

## ২.০ নিতাইপুখুৰী জোনগাঁও অঞ্চলৰ মিচিংসকলৰ মাজত প্ৰচলিত লোকবিশ্বাস।

নিতাইপুখুৰী জোনগাঁও অঞ্চলৰ মিচিংসকলৰ মাজত প্ৰচলিত লোকবিশ্বাসসমূহক আলোচনাৰ সুবিধাৰ্থে তলত দিয়া ধৰণেৰে ভাগ কৰি লোৱা হৈছে।

(ক) কৃষিভিত্তিক আৰু ঋতুকালীন লোক উৎসৱৰ লগত জড়িত লোকবিশ্বাস।

(খ) ধৰ্মীয় আৰু সীমিত লোকে অংশ গ্ৰহণ কৰা লোক উৎসৱৰ লগত জড়িত লোকবিশ্বাস।

(গ) জীৱনবৃত্তৰ লগত জড়িত লোকবিশ্বাস।

(ঘ) বাদ্যযন্ত্ৰৰ লগত জড়িত লোকবিশ্বাস।

(ঙ) গৃহ-নিৰ্মাণ আৰু গৃহ সজ্জাৰ সঁজুলিৰ লগত জড়িত লোকবিশ্বাস।

(চ) সাজপাৰৰ লগত জড়িত লোকবিশ্বাস।

(ছ) আ-অলংকাৰৰ লগত জড়িত লোকবিশ্বাস।

(জ) লোক ৰন্ধন প্ৰণালীৰ লগত জড়িত লোকবিশ্বাস

## ২.১ কৃষিভিত্তিক আৰু ঋতুকালীন লোক উৎসৱৰ লগত জড়িত লোকবিশ্বাস।

জোনগাঁৱৰ মিচিংসকলৰ পৰম্পৰাগত লোক উৎসৱ আলি-আঃয়ে লৃগাঙৰ লগত জড়িত লোকবিশ্বাস সমূহ এনেধৰণে উল্লেখ কৰিব পাৰি-আলি-আঃয়ে লৃগাঙৰ দিনা ঘৰৰ বোৱাৰীসকলে পুৱাতে উঠি গা-পাই ধুই মৌৰাম (জুহাল) পৰিষ্কাৰ কৰি প্ৰথমে লৃগাঙৰ নৈবেদ্যস্বৰূপ খাদ্য-নগি ন পঃৰ আপং, পুৰাং আপিন, অলপ অলপ লৈ উপৰিপুৰুষৰ নামত মৌৰামৰ কিঃৰাত অলপ আপং ঢালি উচৰ্গা কৰা হয়। তেওঁলোকে বিশ্বাস কৰে যে, এনেকৈ উপৰিপুৰুষক দি ল'লেহে তেওঁলোকে দেৱলোকৰ পৰা জীৱিত সতি-সন্ততিক কুশল-মংগলে থকাৰ আশীৰ্বাদ দিয়ে। আলি-আঃয়ে লৃগাঙত উপৰিপুৰুষৰ নামত নৈবেদ্যস্বৰূপ খাদ্য-পঃৰ আপং, আঞ্জা, পুৰাং আপিন আদি উচৰ্গা কৰাৰ পিচতে বীজ ৰোপন কৰোঁতাগৰাকীক পোন প্ৰথমে এবাতি আপং আৰু পুৰাং আদি খাবলৈ দিয়া হয। মিচিংসকলে বুধবাৰ দিনটোক পৱিত্ৰ দিন আৰু মাংগলিক বাৰ ৰূপে বিশ্বাস কৰে। লৃগাঙৰ বীজ ৰোপনৰ সময়ত ব্যৱহাৰ কৰা পিঃৰক(মেডেলা) মাংগলিক গছৰূপে বিশ্বাস কৰে। বীজ ৰোপনৰ সময়ত পিঃৰৰ ফেৰেঙণিত নুধুনা কপা গুজি দিয়া হয়। কপাহে শুদ্ধতা, পৱিত্ৰতা, নিষ্কলুষতাৰ প্ৰতীকি অৰ্থ বহন কৰিব পাৰে। লৃগাঙৰ অতিথি বা গুমৰাগ চঃমান কৰা দলটিক পঃৰ আপঙেৰে আপ্যায়ন কৰিব লাগে বুলি বিশ্বাস কৰে।

জোনগাঁৱৰ মিচিংসকলে পালন কৰা পঃৰাগ উৎসৱৰ লগতো বহুতো লোক বিশ্বাস জড়িত

Head of the Department
N.C.D.C. College
Nitaipukhuri, Sivasagar

হৈ আছে। পঃৰাগ উৎসৱৰ এক অপৰিহাৰ্য উপাদান হ'ল 'পঃবৰ'। এই পঃবৰত প্ৰায় এশ বা তাতোতকৈ অধিক টোপোলা অথবা কলহৰ পঃৰ আপং ভৰাব পাৰি। পঃৰাগ উৎসৱৰ প্ৰথম দিনা মিগম বৰা আৰু বৰাণীয়ে উৎসৱলৈ পঃৰ আপঙৰ টোপোলা আগবঢ়োৱাৰ নিয়ম। আয়োজক গাঁৱৰ সকলো দিশৰ মংগলাৰ্থে পশুৰ তেজেৰে উচৰ্গা কৰিলেহে তেওঁলোকৰ উপাস্য দেৱ-দেৱতা সকলৰ তৃষ্ণা দুৰ হৈ মানুহক উপকাৰ কৰে বুলি বিশ্বাস কৰে। আপং ভাল হোৱা মানে পঃৰাগ উৎসৱ সফল হোৱা আৰু আগন্তুক দিনবোৰত আয়োজক গাঁৱৰ সকলো দিশতে সফলতা লাভ কৰিব বুলি সাধাৰণ ৰাইজে বিশ্বাস কৰে।

## ২.২ ধৰ্মীয় আৰু সীমিত লোকে অংশগ্ৰহণ কৰা লোক উৎসৱৰ লগত জড়িত লোকবিশ্বাস

জোনগাঁৱৰ মিচিংসকলে উদ্‌যাপন কৰা ধৰ্মীয় আৰু সীমিত লোকে অংশ গ্ৰহণ কৰা লোক উৎসৱৰ লগত জড়িত লোকবিশ্বাস কিছুমান এনেধৰণৰ-তেওঁলোকে দঞিঃ-প'লৰ (চন্দ্ৰ-সূৰ্য) উপাসক। দঞিঃ প'ল হ'ল লালন-পালন কৰোঁতা। তেওঁলোকে বিশ্বাস কৰে যে সৰ্বশক্তিমান দঞিঃ প'ল অবিহনে পৃথিৱী অসাৰ। ই এক প্ৰকাৰ সৰ্বপ্ৰাণবাদৰ ধাৰণা। সেয়ে দঃঞিঃ পঃলক স্মৰণ নকৰাকৈ কোনো ধৰণৰ ধৰ্মীয় বা শুভ কাম নকৰে। মিচিংসকলে অতীতৰে পৰা আদিম ধৰ্মীয় পৰম্পৰাৰে উৰম গিয়াতি উয়ু (মিচিং সমাজৰ বিশেষ সকাম) উদ্‌যাপন কৰি উপৰিপুৰুষলৈ পিণ্ড দিয়াৰ নিয়ম পালন কৰি আহিছে। উপৰিপুৰুষক ভক্তি আৰু শ্ৰদ্ধাসহকাৰে পূজা সেৱা কৰিলে ধনে জনে ভৰপুৰ হয় আৰু মাৰি-মৰক, বেমাৰ-আজাৰ আদি দেখা নিদিয়ে বুলি তেওঁলোকে বিশ্বাস কৰে। উয়ু বা দেৱতাৰ উপলক্ষে ৰন্ধা যিকোনো খাদ্যবস্তু সোঁহাতে ৰান্ধিব নাপায় বাবে বাঁওহাতেৰে ৰন্ধা দেখা যায়। কিয়নো দেৱ লোকলৈ যোৱাৰ পিচত বাস্তৱৰ ওলোটা আচৰণ কৰে বুলি বিশ্বাস কৰে। ব্ৰজপাত, বিজুলী-ধুমুহা, শিলাবৃষ্টি আদি দেৱ শক্তিৰ পৰা পৰিত্ৰাণ পাবলৈ বিভিন্ন দেৱ দেৱতাৰ নামত বিভিন্ন পদ্ধতিৰে উয়ু কৰাৰ নিয়ম কৰি ল'লে।

## ২.৩ জীৱনবৃত্তৰ লগত জড়িত লোকবিশ্বাস

মানৱ জীৱনৰ গুৰুত্বপূৰ্ণ তিনিটা পৰ্যায়-জন্ম, মৃত্যু আৰু বিবাহ। জন্ম, বিবাহ আৰু মৃত্যুকেন্দ্ৰিক লোক বিশ্বাস পৃথিৱীৰ সকলো মানৱ সমাজৰ মাজত কম-বেছি পৰিমাণে থকা দেখা যায়। মিচিংসকলো তাৰ ব্যতিক্ৰম নহয়। মিচিং সমাজত সন্তান মাতৃৰ গৰ্ভত ধাৰণ কৰাৰ পৰা কিছুমান ৰীতি-নীতি মানি চলা দেখা যায়।

### ২.৩.১ জন্মৰ লগত জড়িত লোকবিশ্বাস।

নিতাই পুখুৰী জোনগাঁৱৰ মিচিং সকলে বিশ্বাস কৰে যে সন্তান গৰ্ভত থকা সময়ত মাক-দেউতাকে কোনো ধৰণৰ অন্যায় বা পাপ কামত লিপ্ত হ'ব নাপায়। এই সময়ত হাঁহ-কুকুৰা বা

অন্য জীৱ জন্তুও মৰা নিষিদ্ধ অন্যথা গৰ্ভত থকা সন্তানে জন্ম হোৱাৰ পিচত মাক-দেউতাকে বধ কৰা জীৱ জন্তুৰ দৰে আচৰণ কৰে, বিকলাংগ আৰু মৃত সন্তান জন্ম হয় বুলি বিশ্বাস কৰে।

সন্তান গৰ্ভত থকা সময়ত পত্নীয়ে স্বামীক অন্যায় কৰিলে বা স্বামীয়ে ডেকাকালত নানাধৰণৰ অপকৰ্ম কৰিলে সন্তান জন্মৰ সময়ত মাকগৰাকীয়ে কষ্ট পায় বুলি বিশ্বাস কৰে। এনে সমস্যাৰ সন্মুখীন হ'লে পৰম্পৰাগত বিশ্বাস অনুসৰি অন্যায় বা পাপ কৰ্মৰ মুকলিকৈ স্বীকাৰ কৰিলে এনে যন্ত্ৰণাৰ পৰা মুক্তি পায় বুলি বিশ্বাস কৰে। গৰু, ছাগলী, ম'হ, ঘোঁৰা আদি ঘৰচীয়া জন্তুৰ এৰাল দিয়া আৰু বন্ধা পঘা ডেই দি গ'লে নৱজাতকৰ নাড়ী পাক খায় বুলি বিশ্বাস আছে। সন্তান এটা পৰিপূৰ্ণ হয় মাতৃৰ গৰ্ভত ন মাহ দহ দিনত। কিন্তু তাৰ পূৰ্বে সন্তান জন্ম হলে ন মাহ দহ দিন নোহোৱালৈকে নৱজাতকৰ আঠুৱাৰ ভিতৰত ৰখা হয়।

সাপ, জেঠী, ভেকুলী আদি জীৱ মাৰিলে গৰ্ভজাত সন্তানৰ জিভা অনবৰতে ওলোৱা - সোমোৱা কৰি থাকে বুলি বিশ্বাস কৰে কাৰণে সেই সময়ত গৰ্ভধাৰণ কৰাৰ সময়ত স্বামী স্ত্ৰীয়ে তেনে কোনো জীৱক হত্যা নকৰে। সন্তান এটা গ্ৰহণ লগ্ন বা অমাৱস্যাৰ নিশা জন্ম ললে সেই সন্তানৰ ভৱিষ্যত সুখৰ নহয় বুলি বিশ্বাস কৰে। গৰ্ভৱতী তিৰোতাই হাতত এখন কটাৰী লৈ ফুৰিলে ভূত-প্ৰেত, অপদেৱতাই নাপায় বুলি বিশ্বাস কৰে। সেইদৰে গৰ্ভৱতী তিৰোতাই মৰিশালিৰ মাজেৰে পাৰ হ'ব নাপায়। অকালতে গৰ্ভপাত হ'ব পাৰে বুলি বিশ্বাস কৰে।

## ২ ৩. ২ মৃত্যুৰ লগত জড়িত লোকবিশ্বাস।

অসমৰ অন্যান্য সমাজে কৰাৰ দৰে মুমূৰ্ষ অৱস্থাত অন্তিম ক্ষণ গণি থকাজনক বাজলৈ উলিয়াই নিদি আপোন ঘৰতে শেষ নিশ্বাস পেলাবলৈ দিয়াটো জোনগাঁৱৰ মিচিং সমাজৰ আদিম পৰম্পৰা। ' দং আমং' (ইহলোক) এৰি 'উই আমং' (পৰলোক)লৈ গতি কৰাজনৰ মৃতদেহ ধুই পখালি তেল ঘঁহি কাপোৰ কানি সলাই, নতুন ঢাৰিত শুৱাই ওপৰত শুদ্ধ বগা কাপোৰ ঢাকি মেৰিয়াই চাঙিত তুলি বাজলৈ নিয়া হয়। গাঁত খান্দি শ পুতি পেলোৱাটো প্ৰাচীন পৰম্পৰা। মৃতকৰ মৈদাম দিবলগীয়া মাটি টুকুৰা কিনি লোৱাটো এক পূৰ্বাপৰ নীতি। ক্ৰিয়া ধৰাজনক গাঁৱৰ ডেকা লৰাই গোটেই ৰাতি উজাগৰে থাকি পহৰা দিয়ে। বিশ্বাস আছে যে, পহৰা দি নাৰাখিলে ক্ৰিয়া ধঁৰোতাগৰাকীক মৃতকৰ প্ৰেতাত্মাই দিগ্‌দাৰ কৰিব পাৰে। ই এক প্ৰকাৰ ভূত-প্ৰেত আদি অলৌকিক শক্তিত কৰা বিশ্বাসক সূচায়। মৃতকৰ আত্মাৰ সদ্‌গতিৰ কাৰণে তিনিদিন বা পাঁচদিন তিলনি পাতি পষেক, মাহেক বা ছমাহৰ মূৰত উৰম আপিনৰ আয়োজন কৰে। দদ্‌গাঙেই মৃতকৰ উপলক্ষে আয়োজন কৰা শেষকৃত্য ই এক পূৰ্ব পুৰুষৰ পূজা।

জন্ম-মৃত্যুৰ লগত জড়িত আচাৰ-ৰীতি পালনত কুকুৰা অপৰিহাৰ্য। মৃতকৰ তিনিদিন বা পাঁচদিনৰ তিলনিত মন্ত্ৰপুত শান্তিজল ঘৰৰ চাৰিওফালে ছটিয়াই অশৌচ আঁতৰোৱা হয় তাৰ সেইদিনাৰ পৰা ঘৰৰ মানুহ বাহিৰ ভিতৰ কৰি যাব পৰা বিধান দিয়া হয়।

Head of the Department ... Kampur, Nagaon

### ২.৩.৩ বিবাহৰ লগত জড়িত লোকবিশ্বাস

জোনগাঁৱৰ মিচিং সমাজত সাধাৰণতে বেছিভাগ ডেকাই ছোৱালী ঘৰৰ মানুহে নজনাকৈ পলুৱাই নি গন্ধৰ্ব প্ৰথাৰে বিয়া পাতে। কইনাই ঘৰৰ পৰা পলাই যাঁওতে ঘৰৰ পিছ দুৱাৰেদি ওলাই যাব নাপায়। পিতৃগৃহৰ পৰা ওলাই আঁহোতে পূৱ দিশে কিছুদুৰ আগবাঢ়ি যোৱাৰ পিচত যিকোনো দিশত যোৱাত বাধা নাই। মিচিংসকলে বুধবাৰ দিনটোক লক্ষ্মী জ্ঞান কৰে। সেয়ে বুধবাৰে ঘৰৰ পৰা ছোৱালী পলাই গৈ বিয়াত বহিলে কন্যা ঘৰৰ লক্ষী গুচি যায় বুলি বিশ্বাস কৰে।

বিশ্বাসমতে গ্ৰহ লগ্ন আৰু অমাবস্যা ৰাতি বিয়া হ'ব নাপায়। বিয়া কৰাবলৈ ছোৱালী পলুৱাই নিওঁতে আগেদি শিয়াল বা সাপ পাৰ হৈ যোৱাটো অমংগলৰ চিন বুলি বিশ্বাস কৰে। বিয়াৰ বন্দোবস্তিত কইনা ঘৰীয়াৰ হৈ সোমোৱাৰ বাহিৰে তামোল পানৰ শৰাই তুলি ধৰিব নাপায় বুলি বিশ্বাস কৰা হয়। মিতিৰৰ ঘৰলৈ জলপনীয়া দিবলগীয়া হ'লে লগতে অলপমান নিমখ দিব লাগে নহলে দুয়োঘৰৰ মাজত বিবাদৰ আশংকা থাকে বুলি বিশ্বাস কৰা হয়।

মিচিংসকলৰ দাঃৰ মিদাঙত সাধাৰণতে তামোলৰ টোপোলা এটা ল'ৰা ঘৰৰ হৈ কটকী এজনে আগবঢ়ায়। সেই টোপোলাটোক ছোৱালীজনীৰ মোমায়েক বা পেহাকক খুলিবলৈ দিয়া হয়। টোপোলাটোৰ ভিতৰত পৰুৱা বা পৰুৱাৰ কণী নাথাকিলে সেই বিয়া সম্পন্ন হ'লে প্ৰস্তাবিত দম্পতীৰ জীবন সুখ শান্তিৰ হ'ব। টোপোলাটোৰ ভিতৰত পৰুৱাৰ জাক বা থাকে থাকে পৰুৱাৰ কণী থাকিলে অমংগলৰ পূৰ্বলক্ষণ বুলি তেওঁলোকে বিশ্বাস কৰে।

### ২.৪ বাদ্যযন্ত্ৰৰ লগত জড়িত লোকবিশ্বাস

জোনগাঁৱৰ মিচিংসকলে আলি-আঃয়ে লৃগাঙত বজোৱা ঢোলৰ ছেও ব'হাগ বিহুত বজাব নাপায় বুলি বিশ্বাস কৰে। সেইদৰে ব'হাগ বিহুত বজোৱা বিহু ছৰ্চৰিৰ ছেও আলি-আঃয়ে লৃগাঙত বজাব নাপায় বুলি বিশ্বাস কৰে। আলি-আয়ে লৃগাঙত দুমদুম (ঢোল), লুঃপি (তাল) আৰু লৌঃনং বজাই গুমৰাগ চঃমান নানাচিলে ধানৰ থোক লেৰেলি পৰে আৰু কীট পতংগই নষ্ট কৰে। আলি আঃয়ে লৃগাঙত লৌঃনং বাদ্য বজালেহে পৃথিবীলৈ বৰষুণ নামি আহে বুলি মিচিংসকলে বিশ্বাস কৰে।

### ২.৫ গৃহ নিৰ্মাণ আৰু গৃহ সজ্জাৰ সঁজুলিৰ লগত জড়িত লোকবিশ্বাস

মানৱ সমাজৰ কাৰণে ঘৰ হৈছে পৰিয়ালৰ শান্তি, নিৰাপত্তা আৰু আশ্ৰয়স্থলী। এই ঘৰৰ ভেটি নিৰ্বাচন, নিৰ্মাণ আৰু সজোৱাক লৈ অন্যান্য সমাজৰ দৰে জোনগাঁৱৰ মিচিংসকলৰো

কিছুমান বিশ্বাস জড়িত হৈ আছে। যেনে ঘৰ সজাৰ সময়ত ঘৰৰ ভেটি ভাল হয়নে নহয় জানিবলৈ চাৰিওফালে চাৰিটা খুঁটা পুতি লাইখুটাডালৰ তলত তামোলপান আৰু ঘৰৰ সদস্য যিমান, সিমান পৰিমাণৰ নখেৰে বাকলি গুচোৱা চাউল তৰাপাতত বান্ধি পুতি থৈ দিয়ে। পিছদিনা সেই টোপোলাটো খুলি চাই যদিহে পোক পৰুৱা বা কোনো হানি বিঘিনি নহয় তেতিয়া সেই ডোখৰ ঠাই ঘৰ সজাৰ উপযোগী বুলি বিশ্বাস কৰে। ঘৰৰ ভেটি চাই সন্তোষজনক হলে ঘৰ নিৰ্মাণৰ কাম শুভ দিন বাৰ চাই আৰম্ভ কৰা হয়। শনিবাৰ, মংগলবাৰ, আঁউসী, পুহমাহ চ'ত মাহ আৰু উপৰিপুৰুষৰ মৃত্যুৰ দিনা গৃহ নিৰ্মাণ নকৰে আৰু গৃহ প্ৰৱেশো নকৰে।

## ২.৬ সাজপাৰৰ লগত জড়িত লোকবিশ্বাস

জোনগাঁৱৰ মিচিংসকলৰ সমাজত সাজপাৰৰ লগত জড়িত যথেষ্ট লোকবিশ্বাস আছে। গাঁৱৰ কোনো লোকৰ মৃত্যু হ'লে সেইদিনা সূতা সিজাব, তাঁত লগাব আৰু তাঁত বব নাপায় বুলি বিশ্বাস কৰে কাৰণে সেইদিনা তেনে কামৰ পৰা বিৰত থকা দেখা যায়। তাঁতবাতি কৰি থাকোঁতে ঘৰৰ কোনোবা সদস্য তাঁতৰ ওপৰেদি পাৰ হলে আউল লাগে আৰু দূৰ যাত্ৰা কৰিলে তাঁতৰ সূতা নাটে বুলি বিশ্বাস কৰে।

সৰু বিয়া হোৱা ছোৱালীয়ে ক'লা মেখেলা পৰিধান কৰিব লাগে বুলি পৰম্পৰাগত বিশ্বাস। ইয়াৰ বাস্তৱ সন্মত যুক্তি থকা দেখা যায়। যিহেতু নতুনকৈ গাভৰু হোৱা ছোৱালী জনীয়ে নিজে সম্পূৰ্ণকৈ কাপোৰ সাজ পিন্ধিব নজনাৰ কাৰণে ঋতুস্ৰাৱৰ ৰং জিলিকি থাকিব পাৰে, গতিকে ক'লা মেখেলা পৰিধান কৰিলে তেনে দৃষ্টিকটুৰ পৰা হাত সাৰিব পাৰে। সন্তান প্ৰসৱৰ সময়ত মহিলাগৰাকীয়ে ক'লা মেখেলা আৰু ৰিঃবি গাছেং পৰিধান কৰিলে ভূত প্ৰেত পাব নোৱাৰে। নৱজাতকৰ গাত বোৱা ৰঙীন কাপোৰ দিলে ভূত -প্ৰেত লম্ভিব নোৱাৰে আৰু আনৰ নজৰ নালাগে আৰু ৰিঃবি গাছেং পৰিধান কৰা মানুহৰ গাত দেৱতাৰ কোপ দৃষ্টি নপৰে বুলি বিশ্বাস কৰে।

## ২.৭ আ-অলংকাৰৰ লগত জড়িত লোকবিশ্বাস

জোন গাঁৱৰ মিচিং সমাজতপঃৰাগ, ধৰ্মীয় লোক উৎসৱ দবুৰ উয়ু আদিৰ মাংগলিক কাৰ্য সম্পন্ন কৰাৰ সময়ত দগনী (মণি) তাদগ (বৰমণি) পৰিধান কৰাটো অপৰিহাৰ্য। দগনী, তাদগ পৰিধান কৰি মাংগলিক কামবোৰ সম্পন্ন কৰিলেহে আয়োজকৰ উদ্দেশ্যে সফল হয় বুলি বিশ্বাস কৰে। নৱজাতকক প্ৰথমবাৰৰ কাৰণে মোমায়েকৰ ঘৰলৈ লৈ যোৱাৰ দিনা নূন্যতম তাদগ এটা হ'লেও ৰঙা-কলা বগা কেঁচা সূতাৰ সৈতে হাতত মোমায়েকে পিন্ধালে নৱজাতকৰ গাত আনৰ নজৰ নালাগে বুলি বিশ্বাস কৰে।

## ২.৮ লোক ৰন্ধন প্ৰণালীৰ লগত জড়িত লোকবিশ্বাস

অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ লোকে সকাম-নিকাম, বিয়া-সবাহ, উৎসৱ পাবৰ্ণত কলৰ ফল, ডিল, পাত আৰু পটুৰা ব্যৱহাৰ কৰাৰ দৰে জোনগাঁৱৰ মিচিংসকলেও ব্যৱহাৰ কৰা দেখা যায়। বহাগ মাহত পচলাৰ আঞ্জা ৰান্ধি খালে বসন্তৰোগ নহয় বুলি বিশ্বাস কৰে। ঘৰৰ মূল মানুহজনক ভাতৰ কাঁহী খন প্ৰথমে সজাই দিয়াৰ পাছতহে বাকীসকলক দিয়াৰ নিয়ম। সকলোৰে পিছত গৃহিনী বা ৰান্ধনিৰ ভোজন শুভ লক্ষণ বুলি বিশ্বাস কৰে। থিয় হৈ খোৱা দৰিদ্ৰতাৰ লক্ষণ বুলি বিশ্বাস কৰে।

ডিমৰু গছৰ ডাল-পাত ঘৰত অতীব প্ৰয়োজন। নেফাফু আৰু কৰ্দৈ টেঙাত ঔষধি গুণ থকা বুলি বিশ্বাস কৰে। তামোল পাণ তেওঁলোকৰ কাৰণে অতি লাগতিয়াল দ্ৰব্য। প্ৰতিটো উৎসৱ-পাৰ্বণত তামোল-পাণৰ ব্যৱহাৰ মন কৰিবলগীয়া আলহী অতিথিয়ে ভাত খোৱাৰ পিছত তামোল-পাণেৰে মুখুদি নকৰিলে গৃহস্থৰ লক্ষ্মী গুচি যায় বুলি বিশ্বাস কৰে।

## ৩.০ সিদ্ধান্ত ঃ

'নিতাইপুখুৰী জোনগাঁৱৰ মিচিংসকলৰ মাজত প্ৰচলিত লোকবিশ্বাস' সম্পৰ্কে অধ্যয়নৰ অন্তত কেইটামান সিদ্ধান্তত উপনীত হ'ব পাৰি। সেইকেইটা হৈছে -

* অসমৰ অন্যান্য মিচিং জনগোষ্ঠীয় লোকসকলৰ দৰে জোনগাঁৱৰ মিচিংসকলে পালন কৰা লোকবিশ্বাসসমূহো ব্যতিক্ৰম নহয়।
* আধুনিক প্ৰযুক্তিবিদ্যাৰ উন্নয়নৰ লগে লগে জোনগাঁৱৰ মিচিংসকলৰ পৰম্পৰাগত ধ্যান-ধাৰণাৰ কিছু পৰিৱৰ্তন হোৱা দেখা গৈছে। ইয়াৰ ভিতৰত লোকবিশ্বাস সম্পৰ্কীয় ধাৰণালৈও পৰিৱৰ্তন আহিছে।
* পৰম্পৰাগত সাজপাৰ, খাদ্যাভাস আদিৰ ক্ষেত্ৰত জড়িত লোকবিশ্বাসসমূহো জোনগাঁৱৰ মিচিংসকলে পূৰ্বৰ দৰেই পালন কৰি আহিছে।
* পৰম্পৰাগতভাৱে পালন কৰি অহা লোকবিশ্বাসসমূহৰ লগত জড়িত আচাৰ-নীতিসমূহে জোনগাঁৱৰ মিচিংসকলক একতাৰ ডোলেৰে বান্ধি ৰাখিছে।

## ৪.০ উপসংহাৰ ঃ

সময় পৰিৱৰ্তনশীল। সময়ৰ গতিত সকলোতে পৰিৱৰ্তন সাধিত হয়। ইয়াৰ লগে লগে মানুহৰ মানসিকতালৈও পৰিৱৰ্তন আহে। ফলস্বৰূপে ভাষা সাহিত্য সংস্কৃতি সকলোতে নতুনত্ব আহি পৰে। এই নতুনত্বই আধুনিকতা। সময়ৰ পৰিৱৰ্তনৰ লগে লগে অন্যান্য সমাজত কিছুমান লোকবিশ্বাস বিলুপ্তি হোৱাৰ দৰে জোনগাঁৱৰ মিচিং সমাজৰো কিছুমান লোকবিশ্বাস স্বতঃস্ফূৰ্তভাৱে নাইকিয়া হোৱা পৰিলক্ষিত হৈছে। এটা জনগোষ্ঠীৰ মাজত প্ৰচলিত লোকবিশ্বাসে জাতিৰ সামাজিক গাঁঠনি সুদৃঢ় কৰি তোলাৰ লগতে সমাজত এটা সুস্থ পৰিৱেশ ৰচনা কৰে। অৱশ্যে কেতিয়াবা

Head of Dept. Assamese
H.C.D.G. College
Nitaipukhuri, Sivasagar